এনেকুৱা দুটা নিয়ামত আছে, যি দুটা নিয়ামত সম্পৰ্কে বহুত মানুহেই অমনোযোগী হৈ আছে, (সেই নিয়ামত দুটা হৈছে) সুস্থতা আৰু অৱসৰ সময়।

ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি
অছাল্লামে কৈছেঃ "এনেকুৱা দুটা নিয়ামত আছে, যি দুটা নিয়ামত সম্পৰ্কে বহুত মানুহেই অমনোযোগী হৈ আছে, (সেই নিয়ামত দুটা হৈছে) সুস্থতা আৰু অৱসৰ সময়।"
[ছহীহ] [(বুখাৰী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত দুটা নিয়ামত সম্পৰ্কে সংবাদ দিছে যে, এই দুটা নিয়ামতৰ ক্ষেত্ৰত বেছি ভাগ লোকেই ক্ষতিগ্ৰস্তৰ মাজত থাকে, কাৰণ সিহঁতে ইয়াৰ সদ্ব্যৱহাৰ নকৰে। যদি মানুহে সুস্থতা আৰু অৱসৰ সময় লাভ কৰে আৰু এই দুটা নিয়ামতক যদি সি আল্লাহৰ আনুগত্যমূলক কামত ব্যৱহাৰ নকৰে তেন্তে সি ক্ষতিগ্ৰস্ত হয়। এইটোৱে হৈছে অধিকাংশ লোকৰ অৱস্থা। আনহাতে যিয়ে এই দুটা নিয়ামত পাই ইয়াৰ সদ্ব্যৱহাৰ কৰে তথা ইবাদতত ব্যয় কৰে তেন্তে তেওঁ লাভৱান হয়। কিয়নো পৃথিৱী হৈছে আখিৰাতৰ খেতি। ইয়াত কৰা ব্যৱসায়ৰ ফলাফল আখিৰাত দেখিবলৈ পোৱা যাব। জানি থোৱা উচিত যে, অৱসৰ সময়ৰ পিছত আহে ব্যস্ততা আৰু সুস্থতাৰ পিছত আহে বেমাৰ-আজাৰ। আনহাতে যদি বৃদ্ধাৱস্থাই আহি যায়, তেন্তে (ধ্বংসৰ বাবে) এইটোৱে যথেষ্ট।

http://sunnah.global/hadeeth/as/show/5449